NIYOMIYA BARTA Website : www.niyomiyabarta.com গুৱাহাটী-ডিব্ৰুগড়-বিশ্বনাথ চাৰিআলি-গোৱালপাৰাৰ পৰা প্ৰকাশিত পৃষ্ঠা ঃ ১৬ মূল্য ঃ ৮


মনপ্ৰীত

সুপ্ৰভাত

আজিৰ দিনটোতে—
- ১৯৩১ত গান্ধী-আৰউইন চুক্তি স্বাক্ষৰ
- ১৯৭৮ত লেণ্ডছেট-৩ কেলিফৰ্নিয়াৰ পৰা উৎক্ষেপণ
- ১৯৮২ত ৰাছিয়াৰ ভেনেৰা-১৪ শুক্ৰগ্ৰহত অৱতৰণ
- ১৯৯০ত শ্বটপুটাৰ মনপ্ৰীত কৌৰৰ জন্ম
- ১৯১২ত মুক্তিযুঁজাৰু পূৰ্ণানন্দ দত্তৰ জন্ম
- ১৯৪৩ত সাংবাদিক হেম গোস্বামীৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

□ পঞ্চদশ বছৰ □ সংখ্যা ৩৫৫ □ বৃহস্পতিবাৰ □ ২০ ফাগুন ১৯৪৭ শক □ ৫ মাৰ্চ ২০২৬ চন □ VOL-15 □ NO-355 □ THURSDAY 5 MARCH 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAG

'জন ঔষধি কেন্দ্ৰ'ৰ স্বত্বাধিকাৰীৰ আজৱ কাণ্ড

# গীয় ডিগ্ৰী-ডিপ্লʼমা নথকা নিয়োগ 'জন ঔষধি কেন্দ্ৰ'ত

, ৪ মাৰ্চ ঃ জোনাই অসামৰিক
ত থকা 'জন ঔষধি কেন্দ্ৰ'ৰ
ছাৰিৰ বিৰুদ্ধে ৰোগীৰ জীৱন-
লাৰ গুৰুতৰ অভিযোগ উত্থাপন
তে কোনো বিভাগীয় ডিগ্ৰী বা
ৰকক কৰ্মচাৰী হিচাপে নিয়োগ
ৰে স্পৰ্শকাতৰ কামত নিযুক্ত
স্বত্বাধিকাৰী চাইদ আনছাৰিয়ে।
অৰ্হতা আৰু প্ৰশিক্ষণ নথকা
কৰাটো একেবাৰে গ্ৰহণযোগ্য
ৰধ বা অনুচিত পৰামৰ্শই ৰোগীৰ
জীৱনত ভয়ংকৰ পৰিণাম আনিব পাৰে বুলিও স্থানীয় ৰাইজে আশংকা প্ৰকাশ কৰিছে। চৰকাৰী নীতি-নিয়ম অনুসৰি ঔষধালয় চলাবলৈ নিৰ্দিষ্ট অৰ্হতা আৰু প্ৰশিক্ষিত কৰ্মচাৰী বাধ্যতামূলক থকাৰ পিছতো কেনেকৈ নিয়োগ কৰা হ'ল বুলিও প্ৰশ্ন উত্থাপন হৈছে স্থানীয় ৰাইজে। কেন্দ্ৰটোৰ স্বত্বাধিকাৰী চাইদ আনছাৰিৰ ওপৰত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনোৱাৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষক তৎক্ষণাত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে একাংশ ৰোগীৰ লগতে সচেতন মহলে। ৰোগীৰ জীৱনৰ সৈতে জড়িত বিষয়ত কোনো ধৰণৰ অৱহেলা সহ্য কৰা নহ'ব বুলিও সকীয়নি দিছে।

# তত বাসন্তী পূজাৰ আয়োজন

কী, ৪ মাৰ্চ ঃ বিশ্ব শান্তিৰ
ৰ দৰে এই বছৰো অহা ১৯
ক নাজিৰাৰ শিমলুগুৰি নগৰৰ
সাৰ্বজনীন শ্ৰী শ্ৰী বাসন্তী
হৈছে। কাৰ্যসূচী অনুসৰি,
পুৱা দেৱীৰ প্ৰতিপদ কল্পাৰম্ভ,
নন্ধিয়া দেৱীৰ অধিবাস আৰু
দেৱীৰ দ্বিতীয়া বিহিত পূজা
দেৱীৰ পূজা আৰু আৰতি।
বিহিত পূজা আৰু চণ্ডীপাঠ,
আৰতি। সেইদৰে ২২, ২৩,
দৰে কাৰ্যসূচী অনুষ্ঠিত হ'ব।
২৬ মাৰ্চত পুৱা ১০ বজাৰ ভিতৰত দেৱীৰ অষ্টমীৰ বিহিত পূজা আৰু দিনৰ ২/৫ পৰা ২/৫৩ৰ ভিতৰত সন্ধিপূজা, সন্ধিয়া দেৱীৰ পূজা আৰু আৰতি। ২৭ মাৰ্চত পুৱা ৯/২৬ৰ ভিতৰত দেৱীৰ মহানৱমী বিহিত পূজা ১২/২০ৰ ভিতৰত হৱন আৰু কুমাৰী পূজা। ২৮ মাৰ্চত পুৱা ৯/১৪ৰ ভিতৰত দেৱীৰ দশমী বিহিত পূজা দেৱীৰ বিসৰ্জন আৰু পূজা সমাপন। উক্ত সমূহ কাৰ্যসূচীত ৰাইজৰ পূৰ্ণ সহযোগিতাৰ বাবে পূজা উদ্‌যাপন সমিতিৰ হৈ সভাপতি বিণু গোৱালা, কাৰ্যকৰী সভাপতি পাৰ্থপ্ৰতিম বৰগোহাঁই, সৌৰাম বৰুৱা, পৱিত্ৰ বড়া, সম্পাদক অৰ্ণৱ প্ৰতিম শইকীয়াই গোহাৰি জনাইছে।

## কানৈ মহাবিদ্যালয়ত

# জাপানৰ শ্বিনশ্বু বিশ্ববিদ্যালয়ৰ অধ্যাপক

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৪ মাৰ্চ ঃ 'অসমলৈ মই দ্বিতীয়বাৰ আহিছোঁ। কিন্তু অসম মোৰ দ্বিতীয় গৃহ যেন অনুভৱ হৈছে। মই পৃথিৱীৰ বহু ঠাই ভ্ৰমণ কৰিছোঁ, কিন্তু ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ যি আত্মীয়তা লাভ কৰিলোঁ ই মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। জাপান আৰু অসমৰ মাজত ভৌগোলিক দূৰত্ব থাকিলেও হৃদয়ৰ টান একেই।' —ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ভূগোল বিভাগ, আন্তঃৰাষ্ট্ৰীয় আৰু উদ্যোগিক সম্পৰ্ক কোষৰ যৌথ উদ্যোগত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত মূল বক্তা হিচাপে উপস্থিত থাকি জাপানৰ শ্বিনশ্বু বিশ্ববিদ্যালয়ৰ অধ্যাপক কেণ্টাৰ' কানাজাৱাই আজি এইদৰে কৈ আৱেগিক হৈ পৰে। 'এছিয়াৰ সুগন্ধঃ ক্ৰান্তীয় বনাঞ্চল আৰু সংস্কৃতি' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি অধ্যাপক কানাজাৱাই সাঁচি গছ, ইয়াৰ বিশ্ব বাণিজ্যত ভূমিকা সম্পৰ্কে তথ্যসহকাৰে অৱগত কৰে। ভূগোল বিভাগৰ অধ্যাপিকা ড° জুৰি বৰুৱাই আঁত ধৰা বক্তৃতানুষ্ঠানখনত তেওঁ কয়— দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ অৰণ্যত প্ৰাকৃতিকভাৱে উপলব্ধ এই সাঁচি গছৰ বিশ্ব বাণিজ্যত চাহিদা থকাৰ লগতে অঞ্চলভেদে যোৱা দশকজুৰি বাগানভিত্তিক সাঁচি গছ উৎপাদনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। ভাৰতবৰ্ষৰ কেৰালা আৰু তামিলনাডুত সাঁচি গছ উপলব্ধ হোৱাৰ উপৰি অসমৰ বিশেষকৈ শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাতো ইয়াৰ উৎপাদন কিছু পৰিমাণে দেখা যায় বুলি



তেওঁ অৱগত কৰে। ভূগোল বিভাগৰ অধ্যাপিকা ড° ফাৰনাজ ৰেজলীন চাইবা আহমেদে যুগুত কৰা এখন গ্ৰন্থৰ আলমত অধ্যাপক কানাজাৱাই দেৰগাঁৱৰ নাহৰণি অঞ্চলত উপলব্ধ সাঁচি গছৰ বিষয়ে অধ্যয়ন তথা তথ্য আহৰণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি অসমলৈ অহা বুলি উল্লেখ কৰি কয় যে মই জাপানৰ বাসিন্দা, কিন্তু অসমৰ মানুহৰ মৰম আৰু অসমৰ প্ৰকৃতিয়ে অসমখনক মোৰ নিজৰ ঘৰৰ দৰেই অনুভৱ কৰাইছে। অসমীয়া সমাজৰ মৰম, ভালপোৱা, পৰম্পৰাই তেওঁক অভিভূত কৰি তুলিছে বুলি উল্লেখ কৰি অধ্যাপকগৰাকীয়ে কয় যান্ত্ৰিক শিক্ষাই নহয়, মানৱীয় প্ৰমূল্যবোধেৰেহে বিশ্বক জয় কৰিব পৰা যায়। ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মিতালী চলিহাই উদ্দেশ্য ব্যাখ্যা কৰা বক্তৃতানুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি কয়— এছিয়া হৈছে গভীৰ বৈচিত্ৰ্যৰ এক মহাদেশ, যাক প্ৰকৃতি আৰু সংস্কৃতিৰ মিলনভূমি বুলি জনা যায়। এছিয়াৰ ক্ৰান্তীয় অৰণ্যবোৰ কেৱল জৈৱিক হটস্পট নহয়; সেইবোৰ আমাৰ পৰম্পৰা, প্ৰাচীন জ্ঞানৰ উৎস আৰু পৰিচয়। অধ্যক্ষগৰাকীয়ে কয়— পৰিৱেশ আৰু সাংস্কৃতিক বিকাশৰ মাজত থকা গভীৰ সম্পৰ্কতো বুজা অতি গুৰুত্বপূৰ্ণ, বিশেষকৈ এনে এটা সময়ত যেতিয়া বিশ্বব্যাপী জলবায়ুৰ পৰিৱৰ্তনে এই দুয়োটা ক্ষেত্ৰকেই বিপদৰ মুখত পেলাইছে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপক ড° জ্যোতি শইকীয়াৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° কৃষ্ণাক্ষী শইকীয়াই।




ঘোষণা

# ত কংগ্ৰেছ

শী ঃ সামাজিক মাধ্যমযোগে ক্ষোভ
আলোচনা চলি থকাৰ মাজত প্ৰাৰ্থী তা
কংগ্ৰেছ কাৰ্যালয়ত ওলোমালে তলা



ৰ

■ নাজিৰা ঃ দেৱব্ৰত শইকী
প্ৰয়াত হিতেশ্বৰ শইকীয়া (
■ যোৰহাট ঃ গৌৰৱ গ